আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SATURDAY, FEBRUARY 10, 2024>> 10 PM www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৪৪ Guwahati, Assam ।। মূল্যঃ এটকা



গুৰুৱে এক কৰে, ভকতেহে ভাগ কৰে... ৰঙিয়াত শকংৰদেৰ সংঘৰ অধিৱেশনত এনেদৰে একেলগে দেখা গ'ল ভৰেশ কলিতা, লুৰীণজ্যোতি গগৈ আৰু সত্যব্ৰত কলিতাক

# হ্ৰাস পাইছে হিমন্ত বিশ্ব শৰ্মাৰ জনপ্ৰিয়তা!

## ইণ্ডিয়া টুডে-চি ভোটাৰৰ নতুন সমীক্ষা প্ৰকাশ

নতুন দিল্লী, ১০ ফেব্ৰুৱাৰীঃ ক্ৰমাৎ হ্ৰাস পাইছে অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ জনপ্ৰিয়তা। ২০২২ চনৰ পাছৰে পৰা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ জনপ্ৰিয়তাৰ গ্ৰাফডাল ক্ৰমে নিম্নগামী হোৱা দেখা গৈছে। ২০২২ চনৰ আগষ্ট মাহত সমগ্ৰ দেশৰ ভিতৰত মুখ্যমন্ত্ৰী ড০ শৰ্মাৰ কামত সন্তুষ্ট হৈছিল ৬৩ শতাংশ লোক। ২০২৩ চনৰ জানুৱাৰীত জনপ্ৰিয়তা বৃদ্ধি হৈ উপনীত হৈছিল ৬৮ শতাংশত। শেষাংশ ৬ পৃষ্ঠাত

## বিৰোধীক আকৌ কটাক্ষ মোদীৰ

নতুন দিল্লী, ১০ ফেব্ৰুৱাৰীঃ দ্বিতীয় কাৰ্যকালৰ শেষৰটো ভাষণতো বিৰোধীক কটাক্ষ কৰিব নেৰিলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। বিৰোধী দলক তীব্ৰ আক্ৰমণ কৰি দ্বিতীয় শেষাংশ ৬ পৃষ্ঠাত

## লোকসভা নিৰ্বাচনৰ পূৰ্বে দেশত 'কা' কাৰ্যকৰী কৰাৰ যো-জা কেন্দ্ৰৰ

নতুন দিল্লী, ১০ ফেব্ৰুৱাৰীঃ লোকসভা নিৰ্বাচনৰ পূৰ্বে দেশত কাৰ্যকৰী হ'ব নাগৰিকত্ব সংশোধনী আইন। শনিবাৰে এই ঘোষণা কৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে। অমিত শ্বাহে কয় যে লোকসভা নিৰ্বাচনৰ পূৰ্বে 'কা' ৰূপায়ণৰ সন্দৰ্ভত অধিসূচনা জাৰি কৰা হ'ব। ইটি-নাও গ্লোবেল বিছনেছ শিখৰ সন্মিলনৰ এক সাক্ষাৎকাৰত শেষাংশ ২ পৃষ্ঠাত

## মুখ্যমন্ত্ৰীৰ গালি

## দৰমহা লৈ কলেজ শিক্ষকে নকৰে কাম!

ই-সংবাদ, ১০ ফেব্ৰুৱাৰীঃ সভা চলি থকাৰ মাজতে বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ৰ উপাচাৰ্য, পঞ্জীয়ক, অধ্যক্ষ-উপাধ্যক্ষ, অধ্যাপক-অধ্যাপিকাক মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই হাত দাঙিবলৈ দি সুধিছিল শেষাংশ ৪ পৃষ্ঠাত

## সীমান্ত ছীল!

## নাগালেণ্ড, মিজোৰামৰ বিৰোধিতা

ই-সংবাদ, ১০ ফেব্ৰুৱাৰীঃ মিজোৰাম চৰকাৰ আৰু নাগালেণ্ড চৰকাৰে কেন্দ্ৰীয় চৰকাৰ সীমান্ত ছীল কৰি মুক্ত চলাচল ব্যৱস্থা বাতিল শেষাংশ ৩ পৃষ্ঠাত

## জেলৰ পৰা খেল খেলিলে ইমৰাণে!

ইছলামাবাদ, ১০ ফেব্ৰুৱাৰীঃ কাৰাগাৰত থকা ইমৰান খানৰ নেতাসকলে নেচনেল এচেম্বলী নিৰ্বাচনত নিৰ্দলীয় হিচাপে প্ৰতিদ্বন্দ্বিতা কৰি শক্তি প্ৰদৰ্শন কৰাৰ পাছতে পাকিস্তানত চৰকাৰ গঠনক লৈ অনিশ্চয়তা শেষাংশ ৫ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# লোকসভা নিৰ্বাচনৰ পূৰ্বে দেশত

গৃহমন্ত্ৰী শ্বাহে লগতে কয় যে 'কা'ক দেশৰ মুছলমানসকলক বিপথে পৰিচালিত কৰি উচতনি দিয়া হৈছে। এই আইনৰ জৰিয়তে কোনো ভাৰতীয়ৰ নাগৰিকত্ব কাঢ়ি লোৱা নহয় বুলিও মন্তব্য কৰে অমিত শ্বাহে। উল্লেখ্য যে, ২০১৯ চনত দ্বিতীয়বাৰৰ বাবে ক্ষমতালৈ অহাৰ পিছতে নৰেন্দ্ৰ মোদী চৰকাৰে নাগৰিকত্ব সংশোধনী আইন গৃহীত কৰিছিল। সেই আইন অনুসৰি বাংলাদেশ, পাকিস্তান, আফগানিস্তানৰ দৰে মুছলমান দেশৰ ধৰ্মীয়সংখ্যালঘুসকলে যদি ধৰ্মীয় নিৰ্যাতনৰ বাবে ভাৰতত আশ্ৰয় ল'ব বিচাৰে তেন্তে ভাৰতে আদৰি ল'ব তেনে লোকক। সংসদৰ দুয়োখন সদনে 'কা' বিধেয়কখন গৃহীত হোৱাৰ পাছত ৰাষ্ট্ৰপতিয়েও সন্মতি প্ৰদান কৰিছিল। কিন্তু এতিয়ালৈকে এই ক্ষেত্ৰত আইন প্ৰণয়ন হোৱা নাই। ইফালে জানুৱাৰী মাহত সংসদীয় সচিবালয়ে এই আইনখনৰ খচৰা প্ৰস্তুতৰ সপ্তম সময় বৃদ্ধিৰ বাবে সেউজ সংকেত দিছিল। চৰকাৰী সূত্ৰ অনুসৰি সেই কাম সম্পূৰ্ণ হ'বলৈ ওলাইছে। ৰাজনৈতিক বিশ্লেষকৰ এটা অংশৰ মতে, এই বিষয়টো চাৰে চাৰি বছৰ ধৰি বিচাৰাধীন হৈ থকাৰ ফলত হিন্দু শৰণাৰ্থী সম্প্ৰদায়ৰ এটা অংশৰ মাজত ক্ষোভৰ সৃষ্টি হৈছে। এনে পৰিপ্ৰেক্ষিতেত নিৰ্বাচনৰ পূৰ্বে আইনখন কাৰ্যকৰী কৰিবলৈ মন মেলিছে মোদী চৰকাৰে। দৰাচলতে শনিবাৰে দিল্লীত অনুষ্ঠিত এক আলোচনা সভাত শ্বাহে নিজেই এই কথা স্পষ্ট কৰি দিয়ে। তেওঁ কয়, "কা দেশৰ আইন। ইয়াক কাৰ্যকৰী কৰিব লাগিব। লোকসভা নিৰ্বাচনৰ পূৰ্বে 'কা' কাৰ্যকৰী কৰা হ'ব। তাত কোনো সন্দেহ থাকিব নালাগে।" শ্বাহে লগতে কয়, "মই স্পষ্ট কৰিব বিচাৰিছো, 'কা' কোনো ব্যক্তিৰ নাগৰিকত্ব কাঢ়ি লোৱা আইন নহয়। কোনো ভাৰতীয়ৰ নাগৰিকত্ব কাঢ়ি নিব নোৱাৰি, কাৰণ আইনত তেনে কোনো ব্যৱস্থা নাই।" উল্লেখ্য যে, নাগৰিকত্ব সংশোধনী আইনক লৈ ২০১৯ত উত্তাল প্ৰতিবাদ সাব্যস্ত হৈছিল দিল্লী, অসমৰ দৰে ৰাজ্যত। তদুপৰি পশ্চিম বংগৰ দৰে বিৰোধী শাসিত ৰাজ্যইও ধৰ্মৰ ভিত্তিত 'কা' ৰূপায়ণৰ বিৰোধিতা কৰি আহিছে। সেই কথা মনত ৰাখিয়েই কেন্দ্ৰই সমগ্ৰ প্ৰক্ৰিয়াটোত ৰাজ্য চৰকাৰৰ ভূমিকা নূন্যতম কৰাৰ পৰিকল্পনা কৰা বুলি গৃহ মন্ত্ৰালয়ৰ এক সূত্ৰই প্ৰকাশ কৰিছে। নাগৰিকত্ব লাভৰ সামগ্ৰিক পৰিকল্পনা অনলাইনত কৰাৰো চিন্তা চৰ্চা কৰি থকা হৈছে। সূত্ৰটোৰ মতে, আকাংক্ষিতসকলে অনলাইন পৰ্টেলৰ জৰিয়তে নাগৰিকত্বৰ বাবে আবেদন কৰিব পাৰিব। কোন বছৰত আবেদনকাৰীয়ে ভাৰতত প্ৰৱেশ কৰিছিল, সেই তথ্য পৰ্টেলত দিব লাগিব। আৰু ইয়াৰ পিছত আবেদন পৰীক্ষা কৰি নাগৰিকত্ব প্ৰদানৰ সন্দৰ্ভত সিদ্ধান্ত লোৱা হ'ব।

# 'কা'ৰ বিৰুদ্ধে প্ৰতিবাদৰ বাবে অসমবাসীক পুনৰ সাজু হ'বলৈ আহ্বান বিধায়ক অখিলৰ

**ই-সংবাদ, ১০ ফেব্ৰুৱাৰীঃ** নাগৰিকত্ব সংশোধনী বিধেয়কৰ বিৰুদ্ধে অসমৰ ৰাইজক পুনৰ প্ৰতিবাদ আৰম্ভ কৰিবৰ বাবে সাজু হোৱাৰ আহ্বান জনাইছে ৰাইজৰ দলৰ মুৰব্বী তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে৷ এটা সংবাদ প্ৰতিষ্ঠানক দিয়া সাক্ষাৎকাৰত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে লোকসভা নিৰ্বাচনৰ পূৰ্বে 'কা' বলৱৎ কৰাৰ কথা উল্লেখ কৰাৰ পাছতে অখিল গগৈয়ে কেন্দ্ৰীয় চৰকাৰক আক্ৰমণ কৰি অসমৰ ৰাইজক প্ৰতিবাদৰ বাবে সাজু হ'বলৈ আহ্বান জনাইছে৷ এটা ভিডিঅ' জাৰি কৰি অখিল গগৈয়ে অসমৰ ৰাইজক এই আহ্বান জনাইছে৷ অসমৰ সকলো পক্ষক ঐক্যবদ্ধ হোৱাৰো আহ্বান জনাই অখিল গগৈয়ে৷ দেশৰ শীৰ্ষ আদালতত শুনানি চলি থকা বিষয় এটাক হস্তক্ষেপ নকৰিবলৈ আৰু 'কা' বলৱৎ নকৰিবলৈ কেন্দ্ৰীয় চৰকাৰক দাবী জনাই গগৈয়ে। আনহাতে ৰাইজৰ দলে নাগৰিকত্ব সংশোধনী আইন কাৰ্যকৰী হ'লে অসমীয়া জাতিৰ অস্তিত্বৰ প্ৰতি ভাবুকি আহিব বুলি অভিযোগ আনে৷ আইন বলৱৎ হ'লে অসমত অবৈধভাৱে বসবাস কৰা ১৫-২০ লাখ হিন্দু বাংলাদেশী বিদেশী নাগৰিকে নাগৰিকত্ব লাভ কৰাৰ লগতে বাংলাদেশত বসবাস কৰা ১ কোটি ৭০ লাখ হিন্দু বাংলাদেশী নাগৰিকৰ বাবে নাগৰিকত্ব লাভ সুযোগ পাব বুলি অভিযোগ আনে৷ ৰাইজৰ দলে কয় যে অসমৰ মানুহে প্ৰব্ৰজনৰ বিৰুদ্ধে আন্দোলন কৰি আহিছে৷ অসমে লাখে লাখে বিদেশী গ্ৰহণ কৰিব নোৱাৰে। জাতিৰ অস্তিত্বলৈ ভাবুকি আহিব। অসমীয়া ভাষা আৰু অসমীয়া সংস্কৃতিলৈ ভয়াবহ প্ৰত্যাহ্বান আহিব। 'কা' বলৱৎ কৰাৰ অপচেষ্টা কৰিলেই অসমীয়া জাতিয়ে পুনৰ আন্দোলনৰ পথ লোৱাৰ বাহিৰে আন পথ নাথাকিব বুলিও কয় দলটোৱে৷

প্ৰথম পৃষ্ঠাৰ পৰা...

# নাগালেণ্ড, মিজোৰামৰ বিৰোধিতা

কৰিব খোজাৰ সিদ্ধান্তত তীব্ৰ বিৰোধ কৰিছে৷ মিজোৰামৰৰ একমাত্ৰ ৰাজ্যসভাৰ সাংসদ কে ভানলাল ভেনাই সীমান্ত সম্পূৰ্ণৰূপে বন্ধ কৰি দিব খোজা সিদ্ধান্তক তীব্ৰ বিৰোধ কৰে৷ আনহাতে নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেফিঅ' ৰিঅ', মিজোৰামৰ মুখ্যমন্ত্ৰী লাল দুহোমাই এই সিদ্ধান্তক প্ৰতিবাদ কৰা দেখা যায়৷ ৰাজ্যসভাৰ সদস্য কে. ভানলাল ভেনাই কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক এখন পত্ৰ লিখি ভাৰত-ম্যানমাৰ সীমান্তত বেৰ দিব খোজা সিদ্ধান্তক লৈ উদ্বেগ প্ৰকাশ কৰে৷ এই সিদ্ধান্তৰ দ্বাৰা মিজোৰামৰ বাসিন্দাৰ বাবে ভয়াৱহ সমস্যাৰ সৃষ্টি কৰিব বুলি আশংকা ব্যক্ত কৰে। এই পদক্ষেপৰ ফলত কেৱল মুক্ত চলাচল ব্যৱস্থাকে ব্যাহত নকৰে৷ বৰ্তমান আৱাসীসকলক সীমান্তৰ দুয়োফালে ১৬ কিলোমিটাৰ পৰ্যন্ত অতিক্ৰম কৰিবলৈ অনুমতি দিয়া ব্যৱস্থাক ব্যাহত কৰা হ'ব বুলি কয়৷ ভাৰতৰ বাসিন্দাই ৫০০ কিলোমিটাৰতকৈও অধিক মূল্যৱান এলেকা হেৰুৱাব, মাছ ধৰা স্থান আৰু কৃষিভূমি হেৰুৱাব। প্ৰস্তাৱিত বেৰ নিৰ্মাণৰ সিদ্ধান্তই সীমান্ত অঞ্চলত বাস কৰা লোকসকলৰ জীৱিকাত ভয়াবহ প্ৰভাৱ পৰিব৷ কিয়নো তেওঁলোকৰ দৈনন্দিন কাৰ্যকলাপ আৰু সম্পদৰ অধিকাৰত বাধা প্ৰদান কৰিব। বিদ্যমান সীমা সঠিক স্থল জৰীপ অবিহনে ব্ৰিটিছে অংকন কৰিছিল৷ তেতিয়াৰ পৰাই আন্তৰ্জাতিক সীমান্ত হিচাপে ধৰা হৈছে৷ যাৰ ফলত স্থানীয় জনসাধাৰণৰ প্ৰতি অন্যায় বুলি বিবেচিত হয়। ভানলাল ভেনাৰ লগতে মিজোৰামৰ কেইবাটাও জনজাতীয় সম্প্ৰদায় কেন্দ্ৰীয় চৰকাৰৰ বেৰ দিয়া সিদ্ধান্তত নাৰাজ হৈছে। ৰাজ্যসভাৰ সদস্য কে. ভানলাল ভেনাৰ লগতে মিজোৰামৰ মুখ্যমন্ত্ৰী লাল দুহোমাই আপত্তি দৰ্শাইছে৷ বেৰ দিয়া পৰিকল্পনাৰ পুনৰ বিবেচনা কৰিবলৈ কৈ সীমান্তৰ সম্প্ৰদায়ক প্ৰভাৱিত কৰা সিদ্ধান্ত লোৱাৰ সময়ত বিবেচনা কৰিব লগা জটিল আৰ্থ-সামাজিক আৰু ঐতিহাসিক কাৰকবোৰৰ ওপৰত গুৰুত্ব আৰোপ কৰিবলৈ কয় মুখ্যমন্ত্ৰী লাল দুহোমাই। আনহাতে, ম্যানমাৰ সীমান্তত লাগি থকা নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেফিঅ' ৰিঅ'ই ভাৰত-ম্যানমাৰ সীমান্তত মুক্ত চলাচল ব্যৱস্থা বাতিল কৰাত ৰাজ্য চৰকাৰৰ হৈ আপত্তী দৰ্শাইছে। গৃহমন্ত্ৰী অমিত শ্বাহৰ বক্তব্যৰ বিৰুদ্ধে প্ৰতিক্ৰিয়া দি নেফিঅ' ৰিঅ'ই কয় যে সীমান্ত অঞ্চলসমূহত নিৰ্দেশনা পালন নকৰাটোৱে উত্তৰ-পূৰ্বাঞ্চলক বিদ্ৰোহৰ আশ্ৰয়স্থল কৰি তুলিছে। ভাৰত চৰকাৰৰ নিৰাপত্তা ৰক্ষাৰ কথাও স্বীকাৰ কৰি ৰিঅ'ই ৰাজ্য চৰকাৰে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব কিন্তু এফএমআৰ বিলুপ্তিৰ সৈতে ৰাইজৰ মতভেদৰ কথা দোহাৰে। আমি ৰাইজৰ বিৰোধ উপলব্ধি কৰিছো৷ সেয়েহে ৰাজ্য চৰকাৰে এফএমআৰ উঠোৱাৰ বিৰোধী আৰু আমি কাম কৰি আছো বুলিও কয় নেফিঅ' ৰিঅ'ই৷

# পঞ্জাৱতো নিটিকিল ইণ্ডিয়া মিত্ৰজোঁট! অকলৈই নিৰ্বাচন খেলাৰ সিদ্ধান্ত প্ৰায় চূড়ান্ত 'আপ'ৰ

**চণ্ডীগড়, ১০ ফেব্ৰুৱাৰীঃ** পঞ্জাৱত মিত্ৰতা নহয় আপ-কংগ্ৰেছৰ। এই স্পষ্ট ইংগিত প্ৰদান কৰিছে আম আদমী পাৰ্টীৰ ৰাষ্ট্ৰীয় আহ্বায়ক তথা দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে। শনিবাৰে পঞ্জাৱ ভ্ৰমণৰ সময়ত কেজৰিৱালে কয় যে আপে ৰাজ্যখনৰ ১৩খন আৰু ছণ্ডীগড়ৰ এখন আসনতে প্ৰাৰ্থী ঘোষণা কৰিব। উল্লেখ্য যে, পঞ্জাৱৰ মুঠ লোকসভা আসনৰ সংখ্যাই হৈছে ১৩ খন। 'ইণ্ডিয়া' মিত্ৰজোঁটৰ দলসমূহৰ মাজত বিভিন্ন ৰাজ্যৰ আসনৰ ভাগ-বতৰাক লৈ চৰ্চা চলি থকাৰ সময়তে আপৰ আহ্বায়কৰ এনে মন্তব্যই বিৰোধীৰ ঐক্যজোঁটৰ স্থিতি দুৰ্বল কৰি তুলিছে। উল্লেখ্য যে, চণ্ডীগড় মেয়ৰ নিৰ্বাচনত বিজেপিৰ বিৰুদ্ধে ঐক্যবদ্ধভাৱে যুঁজ দি সফলতাও অৰ্জন কৰিবলৈ সক্ষম হৈছিল কংগ্ৰেছ আৰু আম আদমী পাৰ্টীয়ে। দুয়োটা দলৰ মাজৰ মিত্ৰতা লোকসভা নিৰ্বাচনতো অব্যাহত থাকিব বুলি জল্পনা-কল্পনাও আৰম্ভ হৈছিল। আনহাতে পূৰ্বে অৰবিন্দ কেজৰিৱালেও মন্তব্য কৰিছিল যে বিৰোধী ঐক্যজোঁট 'ইণ্ডিয়া'ৰ সৈতে ঐক্যবদ্ধভাৱে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব আপে। কিন্তু বিৰোধীৰ এই ঐক্যত যতি পেলায় পঞ্জাৱৰ মুখ্যমন্ত্ৰী ভগৱন্ত মানে। পঞ্জাৱৰ মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, 'পঞ্জাৱত আমাৰ নিজৰ শক্তিৰে যুঁজি জয়ী হোৱাৰ ক্ষমতা আছে।' আপৰ এক সূত্ৰই কয় যে দলটোৰ পঞ্জাৱৰ নেতৃত্বই ইতিমধ্যে কংগ্ৰেছৰ সৈতে মিত্ৰতাৰে প্ৰতিদ্বন্দ্বিতা কৰাৰ আপত্তি কেজৰিৱালক অৱগত কৰাৰ পিছতে অৰবিন্দ কেজৰিৱালেও ৰাজ্যখনত অকলে প্ৰতিদ্বন্দ্বিতা কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। প্ৰসংগক্ৰমে পঞ্জাৱত ১৩খন লোকসভাৰ আসন আৰু কেন্দ্ৰীয় শাসিত অঞ্চল চণ্ডীগড়ত এখন আসন আছে। যোৱা লোকসভাত কংগ্ৰেছে পঞ্জাৱত ৮খন আসন লাভ কৰিছিল। শিৰোমণি আকালি দল আৰু বিজেপিয়ে মিত্ৰতাৰে যুঁজ দি মুঠ ৪ খন আসন লাভ কৰে। আপে মাত্ৰ লাভ কৰিছিল এখন আসন। কিন্তু ২০২২ চনৰ বিধানসভা নিৰ্বাচনে সকলোকে আশ্চৰ্যচকিত কৰি তোলে। বিধানসভা নিৰ্বাচনত ৰাজ্যখনৰ ১১৭খন আসনৰ ভিতৰত ৯২খন আসন লাভ কৰি ক্ষমতালৈ আহে আম আদমী পাৰ্টী। আনহাতে মাত্ৰ ১৮খন আসনেৰে সন্তুষ্ট হ'বলগীয়া হয় কংগ্ৰেছ।

প্ৰথম পৃষ্ঠাৰ পৰা...

# দৰমহা লৈ কলেজ শিক্ষকে

আপোনালোকে সকলোৱে দৰমহা পাইছে নে নাই? কোনেও হাত দঙা নাছিল৷ তেতিয়া মুখ্যমন্ত্ৰীয়ে কৈছিল দৰমহা লৈ আপোনালোকে কাম কৰা নাই৷ কেৱল ইমানে নহয় মুখ্যমন্ত্ৰীয়ে কটু বাক্যবাণ কৰিছিল বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ৰ উপাচাৰ্য, পঞ্জীয়ক, অধ্যক্ষ-উপাধ্যক্ষ, অধ্যাপক-অধ্যাপিকাক৷ কিন্তু সকলোৱে মূৰ তল কৰি সকলো শুনি আছিল৷ কোনোৱে থিয় হৈ মুখ্যমন্ত্ৰীক টু-শব্দ এটা ক'বলৈ সাহস নকৰিলে৷ এই বিষয়ত স্পষ্টকৈ লিখিছে সেই সভাত উপস্থিত থকা মহানগৰীৰ এলচিবি কলেজৰ অধ্যক্ষ অমৰেন্দ্ৰ কলিতাই৷ ফেচবুকত দুটাকৈ পোষ্ট দি বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ৰ উপাচাৰ্য, পঞ্জীয়ক, অধ্যক্ষ-উপাধ্যক্ষ, অধ্যাপক-অধ্যাপিকাকক লৈ আয়োজন কৰা সভাত আনকি মুখ্যমন্ত্ৰীয়ে কোনো পক্ষকে সম্বোধন কৰা নাছিল৷ হঠাতে সভাত উপস্থিত হৈ ভাষণ আৰম্ভ কৰি তীব্ৰ বাক্যবাণ কৰি ভাষণ সমাপ্ত হোৱাৰ পাছতে সভাকক্ষৰ পৰা ওলাই গুছি গৈছিল৷ মুখ্যমন্ত্ৰীয়ে শিক্ষক সমাজক বাৰে বাৰে অপমান কৰি অহাৰ পাছতো শিক্ষকৰ সংগঠনসমূহে প্ৰতিক্ৰিয়া ব্যক্ত কৰিবলৈ সাহস নকৰাৰ বিষয়টোৱে চাঞ্চল্যৰ সৃষ্টি কৰিছে৷ সৰ্বভাৰতীয় উচ্চ শিক্ষাৰ জৰীপত অসমৰ মান নিম্নগামী হোৱাত যোৱা ৮ ফেব্ৰুৱাৰীত শংকৰদেৱ কলাক্ষেত্ৰত শিক্ষামন্ত্ৰী, শিক্ষা উপদেষ্টা, কাৰ্বি স্বায়ত্ব পৰিষদৰ মুখ্য কাৰ্যবাহী তুলিৰাম ৰংহাঙৰ উপস্থিতিত বিশেষ সভা অনুষ্ঠিত হৈছিল৷ এই সভাত ৰাজ্যৰ ৰাজ্য পৰিচালিত বিশ্ববিদ্যালয়, মহাবিদ্যালয়ৰসমূহৰ মুৰব্বী আৰু শিক্ষকসকলক আমন্ত্ৰণ জনোৱা হৈছিল৷ এই সভাত মুখ্যমন্ত্ৰীয়ে গালি-গালাজ কৰিছিল উপাচাৰ্য, অধ্যক্ষ, অধ্যাপকক৷ কিন্তু কোনোৱেও মুখ্যমন্ত্ৰীৰ এনে আচৰণৰ প্ৰতিবাদ নকৰিলে। সভাখনত উপস্থিত থাকি বিবেক দংশনত ভোগা এলচিবি কলেজৰ অধ্যক্ষ অমৰেন্দ্ৰ কলিতাই সংক্ষপতে কিছু কথা প্ৰতিক্ৰিয়াৰূপে উল্লেখ কৰিছে। তাকো ফেচবুকযোগে৷ অসম কলেজ শিক্ষক সন্থাকো মুখ্যমন্ত্ৰীয়ে অপমান-ভৎৰ্সনা কৰিছিল৷ সভাত উপস্থিত থকা কলেজ শিক্ষক সন্থাৰ সম্পাদকেও নীৰৱে মুখ্যমন্ত্ৰীৰ গালি শুনি গৈছিল। উপাচাৰ্য, পঞ্জীয়ক, অধ্যক্ষ, শিক্ষক সন্থাই মুখ্যমন্ত্ৰীৰ আচৰণৰ বিৰুদ্ধে এষাৰ মাত মাতিব নোৱাৰিলে৷ এলচিবি কলেজৰ অধ্যক্ষ অমৰেন্দ্ৰ কলিতাই ফেচবুক পোষ্টত উল্লেখ কৰা মতে, সৰ্বভাৰতীয় জৰীপত অসমৰ মান নিম্নগামী হোৱাত মুখ্যমন্ত্ৰীয়ে উপাচাৰ্য, অধ্যক্ষ আৰু শিক্ষকসকলক ৰাজহুৱাভাৱে বহুত কটু বাক্য শুনালে। 'এনেকুৱা বিষয়ত সভা পাতোতে আৰু তাত স্বয়ং মুখ্যমন্ত্ৰী উপস্থিত থাকিব বুলি জানিয়ে অনুমান কৰিছিলো এজাউৰি দিয়াতো খাটাং। শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত এখনো আসন খালি নাছিল। পিছে, মুখ্যমন্ত্ৰীয়ে চৰম ক্ষোভ আৰু খঙত কোৱা কথা শুনি এষাৰ মাত মাতিবলৈ এজনো থিয় নহ'ল। কোনে কোনে এই মাহৰ দৰমহা পোৱা নাই হাত ডাঙক বুলি সোধা হ'ল। কোনেও হাত নদঙাত কোৱা হ'ল- সকলোৱে সময়মতে দৰমহা পাইছে, অথচ কৰিবলগীয়া দায়িত্বখিনি পালন কৰা নাই। প্ৰথম শাৰীত বহি থকা এজনো উপাচাৰ্যই এষাৰ মাত নামাতিলে। উপাচাৰ্যসকলেই যদি ইমান ভয়াতুৰ হয় কঠিন পৰিস্থিতিত বিশ্ববিদ্যালয়ক ৰক্ষা কৰিব কেনেকৈ? বিশ্ববিদ্যালয়ৰ এজনো পঞ্জীয়ক বা নোডেল অফিচাৰে থিয় হৈ নকলে যে তথ্য দিয়াৰ পাছতো প'ৰ্টেলত থকা বিসংগতিৰ বাবেহে তথ্যবিভ্ৰাট হৈছে। তথ্য নিদিয়া বিশ্ববিদ্যালয়লৈ অনুদান বন্ধ কৰা হ'ব বুলি কোৱা হ'ল। তেতিয়াও এজনো উপাচাৰ্য বা পঞ্জীয়ক বা নোডেল অফিচাৰে নক'লে যে ক'ৰবাত কিবা এটা বিসংগতি নহ'লে আইআইটি, তেজপুৰ বিশ্ববিদ্যালয়, কটন বিশ্ববিদ্যালয়কে ধৰি সকলো বিশ্ববিদ্যালয়ৰ নাম তথ্য নিদিয়াৰ তালিকাত সোমাব নোৱাৰে। গালি খাই ভিজা মেকুৰীৰ দৰে বহি থকা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, পঞ্জীয়কে ২৯ তাৰিখৰ ভিতৰত এইবছৰৰ তথ্য নিদিয়া কলেজৰ পঞ্জীয়ন বাতিল কৰা হ'ব বুলি আজি জাননী জাৰি কৰিবলৈ সাহস গোটালে কেনেকৈ? সৰ্বভাৰতীয় জৰীপত তথ্য দাখিল নকৰা কলেজ, বিশ্ববিদ্যালয়ৰ দৰমহা বন্ধ কৰিবলৈ অৰ্ডাৰ দিয়া হ'ল। সকলোৱে নিমাতে ৰ'ল। অসম কলেজ শিক্ষক সংস্থাৰ প্ৰসংগ টানি আনি কোৱা হ'ল, সহযোগী অধ্যাপকৰ স্কেলক লৈ অফিচে অফিচে ঘূৰি ফুৰা সংস্থাৰ নেতা, অধিবেশনত নিৰ্বাচনৰ নামত কৰা মহাপুৰুষসকল ক'ত গ'ল? কোনেও একো উত্তৰ নিদিলে, অথচ সংস্থাৰ নবনিৰ্বাচিত স্বয়ং সম্পাদকজন সভাগৃহত বহি আছিল। এটা অতি জৰুৰী বিষয়ত হোৱা পৰ্যালোচনা সভাত প্ৰসংক্ৰমে কলেজ শিক্ষকৰ নেতাসকলক লক্ষ্য কৰি এৰা কঠোৰ বাক্যবাণতো গা নলৰা শিক্ষকক নেতা পাতিলে কোনে আৰু তেনে নেতাই হাজাৰ হাজাৰ শিক্ষকৰ স্বাৰ্থ ৰক্ষা কৰিব কেনেকৈ? ৰাজহুৱা অপমানত লজ্জিত হৈ এটা সামান্য বাক্য ক'ব নোৱাৰা শিক্ষক আৰু শিক্ষকৰ নেতাসকলৰ পৰা ৰাইজে কি আশা কৰিব পাৰে? কম সময়ৰ ভিতৰতে অতি কঠোৰ ভাষাৰে থকা সৰকা কৰাৰ পাছতো এষাৰ মাত মাতিবলৈ আমাৰ অধ্যক্ষসকলেও সাহস নকৰিলে বা সংকোচ কৰিলে। মোৰ কাষৰ আসনখনতে বহি থকা অধ্যক্ষ পৰিষদৰ সম্পাদক মহোদয়ক বাৰে বাৰে অনুৰোধ কৰিলো কিবা এটা কওক। নাই, তেখেতেও একো নক'লে। মুখ্যমন্ত্ৰী মহোদয়ে কাকো সম্বোধন নকৰাকৈ আৰম্ভ কৰা বক্তৃতা কম সময়তে সমাপ্ত কৰি গুচি যোৱাৰ পাছত শিক্ষামন্ত্ৰী মহোদয়েও কিছু কথা শুনালে।'

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জেলৰ পৰা খেল খেলিলে

অব্যাহত আছে৷ কোনো এটা দলে সংখ্যাগৰিষ্ঠতা লাভ নকৰাত চৰকাৰ গঠনৰ ছবি স্পষ্ট হোৱা নাই৷ ৰাষ্ট্ৰপতিক কোনো দলে চৰকাৰ গঠনৰ প্ৰস্তাৱ দিব পৰা নাই৷ এনে পৰিস্থিতিত পাক সেনাৰ প্ৰিয় দলকেইটাই ক্ষমতা দখল কৰিবলৈ মিত্ৰতা গঠন কৰিবলৈ উত্ৰাৱল হোৱা দেখা গৈছে। পাকিস্তান মুছলিম লীগ নাৱাজ আৰু পাকিস্তান পিপলছ পাৰ্টিয়ে মিত্ৰতা কৰি চৰকাৰ গঠন কৰিব পাৰে বুলি চৰ্চা চলিছে৷ পাকিস্তান মুছলিম লীগ নাৱাজৰ নেতা তথা প্ৰাক্তন প্ৰধানমন্ত্ৰী নৱাজ শ্বৰীফে ইমৰান খান বিৰোধী দলসমূহক চৰকাৰ গঠন কৰিবলৈ প্ৰস্তাৱ দিছে৷ কাৰাগাৰত বন্দী প্ৰাক্তন প্ৰধানমন্ত্ৰী ইমৰান খানৰ অনুগত নিৰ্দলীয় প্ৰাৰ্থীসকলে নিৰ্বাচনত ভাল প্ৰদৰ্শন কৰাৰ ফলত শাসকীয় সেনা সমৰ্থিত পাকিস্তান মুছলিম লীগ নাৱাজৰ (পিএমএল-এন) সংখ্যাগৰিষ্ঠতা লাভৰ সম্ভাৱনা নাকচ হয়৷ পাকিস্তানৰ নিৰ্বাচন আয়োগৰ মতে, এতিয়ালৈকে ৯৮ খন আসন লাভ কৰিছে নিৰ্দলীয় প্ৰাৰ্থীসকলে৷ বেছিভাগ নিৰ্দলীয় পাকিস্তান তেহৰিক-ই-ইনচাফ (পিটিআই)ৰ সৈতে জড়িত। উল্লেখ্য যে, দুৰ্নীতিৰ গোচৰত দোষী সাব্যস্ত ইমৰান খানৰ দল আৰু দলৰ প্ৰতীক বাজেয়াপ্ত কৰিছে ৰাষ্ট্ৰীয় নিৰ্বাচন আয়োগে৷ যাৰ ফলত ইমৰান খানৰ দলটোৰ নেতাসকলে নিৰ্দলীয় হিচাপে নিৰ্বাচনত অৱতীৰ্ণ হৈছে৷ প্ৰাক্তন প্ৰধানমন্ত্ৰী নৱাজ শ্বৰীফৰ পাকিস্তান মুছলিম লীগ নৱাজে (পিএমএলএন) এতিয়ালৈকে ৭১ খন আসন লাভ কৰি দ্বিতীয় সৰ্বাধিক আসন লাভ কৰা দলত পৰিণত হৈছে। পাকিস্তান পিপলছ পাৰ্টিয়ে (পি) ৫১ খন আসন লাভ কৰি তৃতীয় সৰ্বাধিক আসন লাভ কৰা দলত পৰিণত হৈছে। কিন্তু কিনা-বেচাৰ ৰাজনীতিৰ পৰিৱেশ উদ্ভৱ হোৱা দেখা গৈছে৷ ইমৰান খানৰ দলৰ নিৰ্দলীয় প্ৰাৰ্থীসকলক ক্ৰয় কৰি চৰকাৰ গঠন কৰিব খোজাৰ অভিযোগ উঠিছে৷ ভুট্টো পৰিয়াল তথা বেনজীৰ ভুট্টৰ পুত্ৰ পাকিস্তান পিপলছ পাৰ্টিৰ নেতা ৩৫ বছৰীয়া বিলাৱাল ভুট্টো জাৰ্দাৰীয়ে প্ৰধানমন্ত্ৰী পদ দাবী কৰিব বুলিও চৰ্চা চলিছে৷ নেচনেল এচেম্বলীৰ ৩৩৬ খন আসনৰ ভিতৰত ২৬৬ খন আসনত ভোটগ্ৰহণ অনুষ্ঠিত হয়৷ কিন্তু বাজাউৰত এজন প্ৰাৰ্থী নিহত হোৱাত এখন আসনত ভোটদান পিছুৱাই দিয়া হয়। আন ৬০ খন আসন মহিলাৰ বাবে আৰু ১০ খন সংখ্যালঘুৰ বাবে সংৰক্ষিত আৰু এই আসনসমূহ সমানুপাতিক প্ৰতিনিধিত্বৰ আধাৰত বিজয়ী দলসমূহক আৱণ্টন কৰা হয়। নতুন চৰকাৰ গঠন কৰিবলৈ, এটা দলে ২৬৫ খন আসনৰ ভিতৰত ১৩৩ খন আসন জিকিব লাগে। পাকিস্তানৰ নিৰ্বাচন আয়োগৰ (ইচিপি) মতে, নেচনেল এচেম্বলীৰ ২৫০ খন সাধাৰণ আসনৰ ভোটগণনা সম্পূৰ্ণ হৈছে আৰু নিৰ্দলীয় প্ৰাৰ্থীয়ে সৰ্বাধিক ৯৯ খন আসন লাভ কৰিছে। বেছিভাগ প্ৰাৰ্থীয়ে ইমৰান খানৰ দল 'তেহৰিক-ই-ইনচাফক (পিটিআই) সমৰ্থন কৰে।

# ৰাম মন্দিৰক লৈ সংসদত ভাষণ দি বিৰোধীক সমালোচনা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ

**নতুন দিল্লী, ১০ ফেব্ৰুৱাৰীঃ** ৰাম মন্দিৰৰ অভিষেকক লৈ সংসদৰ মজিয়াত বিৰোধীৰ সমালোচনাত সৰৱ হৈ পৰিল দেশৰ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ। অযোধ্যাৰ ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা হোৱা ২২ জানুৱাৰীৰ দিনটো ১০ হাজাৰ বছৰীয়া ইতিহাসৰ বাবে এক বিশেষ দিন হিচাপে পৰিগণিত হ'ব বুলি মন্তব্য কৰে অমিত শ্বাহে। তেওঁ কয়, 'এই দিনটোতেই ভাৰতৰ মহান যাত্ৰাৰ আৰম্ভণি ঘটিছে।' বিৰোধীক সমালোচনা কৰি সংসদৰ মজিয়াত অমিত শ্বাহে লগতে কয় যে মোদী চৰকাৰে যেতিয়া ৰাম মন্দিৰৰ নিৰ্মাণ আৰু ৩৭০ ধাৰাৰ প্ৰত্যাহাৰৰ প্ৰতিশ্ৰুতি দিছিল, তেতিয়া বিৰোধীয়ে এনে প্ৰতিশ্ৰুতি পূৰণ হ'লে প্ৰতিবাদ কৰিব বুলি কৈছিল। শ্বাহে কয়, 'মোদী চৰকাৰে যি কয়, তাকেই কৰে। ভাল কামত কেতিয়াও বাধা দিব নালাগে।' গৃহমন্ত্ৰী শ্বাহে লগতে কয়, 'আমি আমাৰ অনুভূতি আৰু দেশবাসীৰ কণ্ঠস্বৰ সকলোৰে সন্মুখত উপস্থাপন কৰিব বিচাৰো। বছৰ বছৰ ধৰি আদালতৰ ফাইলৰ মাজত এই কণ্ঠস্বৰ ৰুদ্ধ কৰি ৰখা হৈছিল। নৰেন্দ্ৰ মোদীয়ে প্ৰধানমন্ত্ৰী হোৱাৰ পিছত সেই কণ্ঠ আৰু অভিব্যক্তিয়ে নতুন মাত্ৰা পাইছে।' শ্বাহে লগতে কয় যে ১৫২৮ চনৰ পৰা চলি অহা বিচাৰৰ অন্তিম দিন আছিল ২২ জানুৱাৰী। তেওঁ কয়, 'আজি আমি ১৫২৮ চনৰ পৰা ৰাম মন্দিৰৰ বাবে যুঁজি থকা সন্ত আৰু সংগঠনবোৰৰ কথা স্মৰণ কৰিছোঁ। আজি তেওঁলোক য'তেই নাথাকক কিয়, তেওঁলোক নিশ্চয় সুখী হ'ব। হাজাৰ হাজাৰ লোকৰ মৃত্যু হ'ল, বহু প্ৰজন্ম পাৰ হ'ল, কিন্তু ৰাম মন্দিৰ নিৰ্মাণৰ দিনটো দেখা নাপালে। আমি সৌভাগ্যবান যে আমি ৰাম মন্দিৰ মুকলি হোৱা দেখিবলৈ পাইছো।'

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আকৌ বিৰোধীক কটাক্ষ মোদীৰ

কাৰ্যকালত অন্তিমবাৰ ভাষণ দি সদন ত্যাগ কৰিলে প্ৰধানমন্ত্ৰী মোদীয়ে৷ লোকসভা নিৰ্বাচন পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সংসদত সপ্তদশ লোকসভাত দিয়া বিদায় ভাষণত ৫ বছৰত দেশখন কিমান দূৰলৈ গ'ল তাৰ ওপৰত আলোকপাত কৰে। মোদীয়ে কয় যে দেশখন এই সময়ত আটাইতকৈ কঠিন সময়ৰ মাজেৰে পাৰ হৈছিল। দেশখনে এই সময়ত 'গেম চেঞ্জাৰ'ৰ ভূমিকা গ্ৰহণ কৰিছে। অৱশ্যে চলিত অধিৱেশনৰ অন্তিম ভাষণত প্ৰধানমন্ত্ৰীয়ে বিৰোধীপক্ষক সমালোচনা কৰে। লোকসভা নিৰ্বাচন ঘোষণা হোৱাৰ আগতেই 'বহুলোক ভয় খাইছে'। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শনিবাৰে সংসদত ২০১৯ ৰ পৰা ২০২৪ চনলৈ দেশত কি ঘটিছিল সেই বিষয়েও উল্লেখ কৰে। দেশখনে যোৱা ৫ বছৰত আটাইতকৈ ডাঙৰ সংকটৰ সন্মুখীন হৈছিল। কৰোনাৰ দৰে সংকট দূৰ কৰি দেশখন আগবাঢ়িছে। সংকটৰ সময়তো দেশখন স্থৱিৰ হোৱা নাছিল। এই ৫ বছৰত দেশক আগুৱাই নিয়াত সংসদৰ ভূমিকা অপৰিসীম আছিল। মোদীয়ে কয় 'এই ৫ বছৰ মহিলা আৰু যুৱসকলৰ বাবে অতি গুৰুত্বপূৰ্ণ আছিল। কেৱল সেয়াই নহয়, এই সময়ত অনুচ্ছেদ ৩৭০ বাতিলৰ দৰে পদক্ষেপ গ্ৰহণ কৰা হৈছে, এয়া 'ঐতিহাসিক' সিদ্ধান্ত৷ জম্মু-কাশ্মীৰে এতিয়া সামাজিক সন্মান লাভ কৰিছে। আমি ভাবুকিৰ বিৰুদ্ধে শক্তিশালী আইন প্ৰস্তুত কৰিছো। ৫ বছৰত দেশত অধিক সংস্কাৰ হৈছে আৰু সেই অনুসৰি কাম কৰা হৈছে৷ দেশখনে এক পৰিৱৰ্তনৰ মাজেৰে আগবাঢ়িছে। ৫ বছৰত ভাৰতৰ তিনিটা মন্ত্ৰ আছিল– সংস্কাৰ, কাম আৰু পৰিৱৰ্তন। মোদীয়ে এই সময়ছোৱাত তিনি তালাক নিষিদ্ধ কৰি মুছলমান মহিলাসকলৰ দীৰ্ঘদিনীয়া দাবী পূৰণ কৰা হৈছে বুলি কয়। জি-২০ত ভাৰতে প্ৰতিনিধিত্ব কৰিছে। দেশখনে নতুন সংসদ ভৱন পাইছে। এই সময়ছোৱাত, ভাৰতে স্বাধীনতা আৰু সংবিধানৰ ৭৫ তম বৰ্ষ উদযাপন কৰিছে। এইবাৰ নাৰী শক্তি বিধেয়ক গৃহীত হৈছে। দেশৰ নাৰীয়ে ন্যায় লাভ কৰিছে। এই সময়ছোৱা যুৱসকলৰ বাবেও অতি গুৰুত্বপূৰ্ণ। কাৰণ কেন্দ্ৰীয় চৰকাৰৰ চাকৰিত নিযুক্তি পৰীক্ষাত প্ৰশ্ন কাকাত ফাদিলৰ দৰে সমস্যা প্ৰতিহত কৰিবলৈ কঠোৰ আইন অনা হৈছে। তথ্য সুৰক্ষা বিধেয়ক ৫ বছৰৰ ভিতৰত গৃহীত হৈছে। পৰৱৰ্তী ২৫ বছৰ দেশৰ বাবে অতি গুৰুত্বপূৰ্ণ সময়। ২৫ বছৰত উন্নত ভাৰত নিৰ্মাণ কৰা হ'ব। সমগ্ৰ বিশ্বই এই ৫ বছৰত ভাৰতৰ শক্তি দেখিছে। মহাকাশ অন্বেষণত বহুতো গুৰুত্বপূৰ্ণ সংস্কাৰ হৈছে, বহু সফলতা লাভ কৰিছে। বহু বিত্তীয় সংস্কাৰ হৈছে। এই ৫ বছৰত সকলো সম্প্ৰদায়, জীৱনৰ সকলো ক্ষেত্ৰৰ লোক উপকৃত হৈছে। নতুন প্ৰজন্মই তেওঁলোকে যি অপেক্ষা কৰিছিল সেয়া পাইছে। ভাষণৰ শেষত মোদীয়ে বিৰোধীক কটাক্ষ কৰি কয় যে নিৰ্বাচনলৈ বেছি দিন নাই দিও কিছুমানে এতিয়াৰ পৰা ভয় খাবলৈ আৰম্ভ কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হ্ৰাস পাইছে হিমন্ত বিশ্ব শৰ্মাৰ

কিন্তু ২০২৩ চনৰ আগষ্ট মাহৰ পাছতে ৪৯ শতাংশলৈ হ্ৰাস পাইছে মুখ্যমন্ত্ৰীগৰাকীৰ জনপ্ৰিয়তা৷ শেহতীয়াকৈ প্ৰকাশ পোৱা তথ্য মতে, মুখ্যমন্ত্ৰীৰ জনপ্ৰিয়তাৰ গ্ৰাফ ৪৯ শতাংশলৈ নিম্নগামী হৈছে৷ দুটা বছৰৰ ভিতৰত ১৯ শতাংশ জনপ্ৰিয়তা কমিছে মুখ্যমন্ত্ৰী ডঃ শৰ্মাৰ৷ দেশৰ ভিতৰত জনপ্ৰিয় মুখ্যমন্ত্ৰীৰ তালিকাত অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আছে সপ্তম স্থানত৷ সমগ্ৰ দেশৰ ভিতৰত জনপ্ৰিয় মুখ্যমন্ত্ৰীৰ তালিকাত প্ৰথম স্থানত আছে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথ। আনহাতে দ্বিতীয় স্থানত আছে দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱাল। একেদৰে তৃতীয় স্থানত পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জী, চতুৰ্থ স্থানত তামিলনাডুৰ মুখ্যমন্ত্ৰী এম কে ষ্টেলিন, পঞ্চন স্থানত ওড়িশাৰ মুখ্যমন্ত্ৰী নবীন পাটনায়ক, ষষ্ঠ স্থানত কৰ্ণাটকৰ মুখ্যমন্ত্ৰী সিদ্ধাৰামাইয়া, অষ্টম স্থানত মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী একনাথ সিন্ধে, নৱম স্থানত উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামী আৰু দশম স্থানত আছে গুজৰাটৰ মুখ্যমন্ত্ৰী ভুপেন্দ্ৰ ভাই পেটেলৰ নাম৷ সদ্য প্ৰকাশিত ইণ্ডিয়া টুডে 'মুড-অৱ-দ্য-নেশ্যন পোল'ৰ শেহতীয়া সংস্কৰণত প্ৰকাশ পাইছে এই তথ্য৷ কিন্তু গৃহ ৰাজ্য ভিত্তিত দেশৰ জনপ্ৰিয় মুখ্যমন্ত্ৰীসকলৰ তালিকাত তৃতীয় স্থানত আছে অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত  বিশ্ব শৰ্মা৷ ৰাজ্যৰ ১৩,৩৫৮ গৰাকীৰ মতৰ আধাৰত নিৰ্ণয় কৰা এই সমীক্ষাত ৪৮.৬ শতাংশ লোকে হিমন্ত বিশ্ব শৰ্মাৰ প্ৰদৰ্শনত সন্তুষ্টি প্ৰকাশ কৰিছে। যদিও মুখ্যমন্ত্ৰী ডঃ শৰ্মাই তৃতীয় স্থান দখল কৰিছে, পূৰ্বৰ তুলনাত জনপ্ৰিয়তা এবছৰতে নিৰন্তৰ হ্ৰাস পাইছে। ওড়িশাৰ মুখ্যমন্ত্ৰী নবীন পাটনায়কৰ কামক লৈ ৫২.৭ শতাংশ লোকে সন্তুষ্টি প্ৰকাশ কৰি একেৰাহে সপ্তমবাৰৰ বাবে শীৰ্ষস্থানত স্থান দিয়াইছে৷ উল্লেখ্য যে, ২০২২ চনৰ আগষ্ট মাহত অসমত ৬৮ শতাংশ লোকে মুখ্যমন্ত্ৰী শৰ্মাৰ প্ৰদৰ্শনত সন্তুষ্টি প্ৰকাশ কৰিছিল। ৫ মাহ পাছত, জানুৱাৰী ২০২৩ত শৰ্মাৰ প্ৰদৰ্শনত সন্তুষ্টিৰ হাৰ ৬৮ শতাংশলৈ বৃদ্ধি পাইছিল। আগষ্ট ২০২৩ত অনুষ্ঠিত হোৱা নেশ্যন-পোলৰ পৰৱৰ্তী মুডত ডঃ শৰ্মাৰ সমৰ্থন ব্যাপক হ্ৰাস পাইছে৷ এই সময়ছোৱাত মুখ্যমন্ত্ৰীগৰাকীৰ কাম-কাজক লৈ সন্তুষ্টি প্ৰকাশ কৰাৰ হাৰ ৪৯.২ শতাংশলৈ হ্ৰাস পাইছে।

## আপে প্ৰাৰ্থিত্ব প্ৰদানৰ পিছতে ৰাজ্যজুৰি ব্যাপক চৰ্চা

# টকাৰ বিনিময়ত টিকট ক্ৰয় কৰিলে নেকি ঋষিৰাজে?

**নতুন দিল্লী, ১০ ফেব্ৰুৱাৰীঃ** অসমত মিত্ৰজোঁটৰ ধৰ্ম ভংগ কৰি অকলে নিৰ্বাচন খেলাৰ সিদ্ধান্ত লৈ প্ৰাৰ্থীৰ নাম ঘোষণা কৰি বিপদত পৰিছে আম আদমী পাৰ্টী৷ শোণিতপুৰ সমষ্টিৰ বাবে নাম ঘোষণা কৰা ঋষিৰাজ কৌণ্ডিণ্যৰ বিৰুদ্ধে কেইবাটাও গুৰুতৰ অপৰাধজনিত গোচৰ ৰুজু হৈ থকাত ৰাজ্যজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়৷ ৰাজনীতিত দুৰ্নীতি, অপৰাধ নাশ কৰাৰ শ্ল’গান দি জন্ম হোৱা আম আদমী পাৰ্টীৰ প্ৰাৰ্থীৰ বিৰুদ্ধে কুৰিতাতকৈ অধিক গোচৰ ৰুজু হৈ থকাৰ অভিযোগৰ পাছতে দলটোৱে আজি সংবাদমেল সম্বোধন কৰি স্পষ্টিকৰণ দিবলৈ বাধ্য হৈছে৷ সংবাদমেলত গোচৰ ৰুজু হৈ থকাৰ কথা স্বীকাৰ কৰি আম আদমী পাৰ্টীয়ে সেয়া অভিযোগহে, এতিয়ালৈ অপৰাধ নিশ্চিত হোৱা নাই বুলি কৈ দায় সাৰিব খোজা দেখা গৈছে৷ উল্লেখ্য যে, গুৱাহাটী, তেজপুৰ আৰু ডিব্ৰুগড় লোকসভা সমষ্টিত আপে প্ৰাৰ্থীত্ব ঘোষণা কৰে৷ গুৱাহাটীত অসম আপৰ মুখ্য সমন্বয়ক ভবেন চৌধুৰী, ডিব্ৰুগড়ত মনোজ ধানোৱাৰ আৰু তেজপুৰত ঋষিৰাজ কৌণ্ডিণ্যৰ নাম ঘোষণা কৰিছে৷ অভিযোগ মতে, ঋষিৰাজ কৌণ্ডিণ্যৰ বিৰুদ্ধে প্ৰৱঞ্চনাৰ অভিযোগেই নগয় গ্ৰেপ্তাৰ হৈ জেলত ভাত খাইছে৷ কাৰ্বি আংলংত অ’এছডি হিচাপে পৰিচয় দি ভুৱা ৱাৰ্ক ৱাৰ্ডাৰ দি জেইলত যোৱা বুলিও সামাজিক মাধ্যমত চৰ্চা হৈছে৷ দাগী অপৰাধীক প্ৰাৰ্থী দিয়াৰ অভিযোগক নস্যাৎ কৰিব নোৱাৰি আপৰ নেতৃত্বই চালে-বেৰে কোবোৰা উত্তৰ দিয়ে৷ শোণিতপুৰৰ প্ৰাৰ্থী ঋষিৰাজ কৌণ্ডিণ্যই তেওঁৰ বিৰুদ্ধে চাৰিটা গোচৰ থকাৰ কথা স্বাকীৰ কৰে৷ গুৱাহাটীৰ দিছপুৰ আৰক্ষী থানাত ৩টা আৰু চানমাৰী আৰক্ষী থানাত এটা গোচৰ ৰুজু হৈ থকা বুলিও কয়৷ জখলাবন্ধা আৰক্ষী থানাত ৰুজু হৈ আছে নাৰীজনিত অপৰাধৰ গোচৰ৷ ঋষিৰাজৰ বিৰুদ্ধে বিত্তীয় অনিয়ম, ভুৱা ৱাৰ্ক অৰ্ডাৰ দিয়া, কম্বল ভৰ্তি গাড়ী অন্তৰ্ধান কৰা, বহিৰাগত ঠিকাদাৰী প্ৰতিষ্ঠানক কোটি টকা প্ৰৱঞ্চনাৰ গোচৰ ৰুজু হৈ আছে৷ আজি এই কথা নিজ মুখেৰে ঋষিৰাজে স্বীকাৰ কৰি শক্তিশালী চক্ৰই চক্ৰান্ত কৰি প্ৰচাৰ কৰি থকা বুলি দাবী কৰে৷ প্ৰৱঞ্চনাৰ গোচৰ ৰুজু হৈ থকাৰ ঋষিৰাজক লৈ  সামাজিক মাধ্যমত ব্যাপক চৰ্চা হৈছিল৷ নিকা ৰাজনীতিৰ অৰোণ্যৰোদন কৰা আপে অপৰাধীক টিকট কিহৰ বিনিময়ত দিলে৷ টকাৰ বিনিময়ত টিকট ক্ৰয় কৰিলে নেকি? এই প্ৰশ্ন এতিয়া মানুহৰ মুখে মুখে৷ ইপিনে তিনিটা সমষ্টিৰ প্ৰাৰ্থী ঘোষণা কৰি আম আদমী পাৰ্টীয়ে ইণ্ডিয়া মিত্ৰজোঁটত নথকাৰ কথা স্পষ্ট কৰিছে৷ নতুন দিল্লীত কেন্দ্ৰীয় নেতৃত্বই অসমৰ বাবে তিনিটা লোকসভা সমষ্টিত প্ৰাৰ্থী ঘোষণা কৰি এই কথা স্পষ্ট কৰিছিল আম আদমী পাৰ্টীয়ে৷ ইয়াৰ পূৰ্বেই পঞ্জাৱৰ মুখ্যমন্ত্ৰী ভগৱান্ত মানে পঞ্জাৱত অকলে নিৰ্বাচন খেলাৰ ঘোষণা কৰি লোকসভা নিৰ্বাচনত অকলে নিৰ্বাচন খেলাৰ ইংগিত প্ৰদান কৰিছিল৷ আজি এখন সভাত দিল্লীৰ মুখ্যমন্ত্ৰী তথা আপৰ মুৰব্বী কেজৰিৱালে পঞ্জাৱৰ ১৩টা সমষ্টিত অকলে নিৰ্বাচন খেলাৰ ঘোষণা কৰি ভগৱান্ত মানৰ দাবীত মোহৰ লগালে৷ কংগ্ৰেছ, অসম জাতীয় পৰিষদ, ৰাইজৰ দল, বামপন্থীদলসমূহ আৰু তৃণমূল কংগ্ৰেছক এৰি আপে প্ৰাৰ্থী ঘোষণা কৰাত মিত্ৰদলৰ নেতাক নিৰাশা কৰা দেখা গৈছে৷

# কোকৰাঝাৰৰ মৰ্গত অচিনাক্ত মৃতদেহ

**ই-সংবাদ, কোকৰাঝাৰ, ১০ ফেব্ৰুৱাৰীঃ** ২০২৩ চনৰ নৱেম্বৰ মাহত কোকৰাঝাৰৰ এগৰাকী দয়ালু ব্যক্তিয়ে পথৰ কাষত লেবেজান হৈ পৰি থকা এগৰাকী ৬০ বছৰীয়া বেমাৰী পথৰ ভিক্ষাৰীক উদ্ধাৰ কৰি কোকৰাঝাৰ আৰএনবি চিকিৎসালয়ত ভৰ্তি কৰাইছিল। দীৰ্ঘদিনৰ পৰা কোকৰাঝাৰ আৰএনবি চিকিৎসালয়ত চিকিৎসাধীন হৈ থকা উক্ত ব্যক্তিগৰাকীৰ আজি চিকিৎসাধীন অৱস্থাতে মৃত্যু হয়। চিকিৎসালয়ত তেওঁৰ নাম নৰেন্দ্ৰ চিপ্ৰাং বুলি লিপিবিদ্ধ কৰিছিল যদিও কোনোধৰণৰ ঠিকনা দিব পৰা নাছিল। চিকিৎসাধীন অৱস্থাত তেওঁ সম্পূৰ্ণ পৰিচয় তথা ঠিকনা উলিয়াবলৈ চেষ্ঠা কৰা হৈছিল যদিও কোনেও সফল নহল। আজি ব্যক্তিগৰাকীৰ চিকিৎসাধীন অৱস্থাতে মৃত্যু হোৱাত মৃতদেহটো কোকৰাঝাৰ মৰ্গত ৰখা হৈছে বুলি আৰক্ষীয়ে সদৰি কৰিছে। কোনো সদাশয় ব্যক্তিয়ে মৃতকক চিনি পালে কোকৰাঝাৰ সদৰ থানাত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে উপপৰিদৰ্শক হীৰকজ্যোতি সেনাপতিয়ে। মৃত ব্যক্তিগৰাকীৰ দেহৰ বৰণ মাগুৰবৰণীয়া, উচ্চতা ৫ ফুট ৩ ইঞ্চি আছিল বুলি আৰক্ষীয়ে সদৰি কৰিছে। ৭২ ঘণ্টাৰ ভিতৰত সম্পূৰ্ণ পৰিচয় উদ্ধাৰ নহলে তথা পৰিয়ালৰ কোনোৱে দাবী নকৰিলে নিয়মানুযায়ী সৎকাৰৰ ব্যৱস্থা লোৱা হ'ব বুলি সদৰি কৰিছে উপ-পৰিদৰ্শক হীৰকজ্যোতি সেনাপতিয়ে।

# মাৰ্চত বিপিএফে দুটা সমষ্টিৰ বাবে ঘোষণা কৰিব প্ৰাৰ্থীৰ নাম

## কোকৰাঝাৰত বিটিচি চুক্তি দিৱস পালন কৰি ক'লে হাগ্ৰামাই

**ই-সংবাদ, কোকৰাঝাৰ, ১০ ফেব্ৰুৱাৰীঃ** ২০০৩ চনৰ আজিৰ দিনটোতে অৰ্থাৎ ২০০৩ চনৰ ১০ ফেব্ৰুৱাৰীত সম্পন্ন হৈছিল ঐতিহাসিক বিটিচি চুক্তি। বিপিএফ দলে প্ৰতিবছৰে ১০ ফেব্ৰুৱাৰী দিনটো বড়োলেণ্ড চুক্তি দিৱস বা বিটিচি চুক্তি দিৱস হিচাপে উদযাপন কৰি আহিছে। এইবেলিও বিপিএফ দলৰ উদ্যোগত কোকৰাঝাৰত ২২ তম বড়োলেণ্ড চুক্তি দিৱস উদযাপন কৰা হয়। সেই অনুসৰি আজি ৰাতিপুৱা বিটিচি সচিবালয় প্ৰাংগনত বডোফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পন আৰু পুষ্পাঞ্জলী তৰ্পন কৰে বিপিএফৰ সভাপতি হাগ্ৰামা মহিলাৰীয়ে। বিটিচি সচিবালয় প্ৰাংগনত বডোফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন আৰু ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰাৰ পিছতে ৰাতিপুৱা ৯:৪৫ বজাত হাগ্ৰামা মহিলাৰী সদলবলে দেবৰগাঁওস্থিত বড়োলেণ্ড শ্বহীদ সমাধীক্ষেত্ৰত উপস্থিত হয় আৰু শ্বহীদৰ সমাধীথলীত শ্ৰদ্ধাঞ্জলী জ্ঞাপন কৰে। দেবৰগাঁওস্থিত বড়োলেণ্ড শ্বহীদ সমাধীক্ষেত্ৰতে দলীয় কৰ্মকৰ্তাক লৈ হাগ্ৰামা মহিলাৰীয়ে এক শ্বহীদ স্মৰণ সভাও অনুষ্ঠিত কৰে য'ত মহিলাৰীয়ে শ্বহীদৰ আত্মবলিদানক গভীৰ শ্ৰদ্ধাৰে স্মৰণ কৰে। ইপিনে সংবাদমাধ্যমৰ আগত বিপিএফৰ সভাপতি হাগ্ৰামা মহিলাৰীয়ে কয় যে আজিৰ দিনটো ঐতিহাসিক দিন। বৰ্তমানৰ বিটিচি চৰকাৰে বড়োলেণ্ড চুক্তি দিৱসৰ ঐতিহাসিক দিনটোক গুৰুত্ব দিয়া নাই। বিটিচি চুক্তি যিহেতু সাংবিধানিকভাৱে স্বীকৃত সেয়ে সকলোৰে এই চুক্তিক সন্মান দিয়াৰ দায়িত্ব আছে। এই চুক্তিৰ দ্বাৰাই অনগ্ৰসৰ অঞ্চলটোত উন্নয়নৰ পোহৰ পৰিছিল। বিটিচি চুক্তিৰ দ্বাৰা যিখিনি ক্ষমতা পাইছে সেই ক্ষমতাৰ দ্বাৰাই প্ৰমোদ বড়োই চৰকাৰ চলাই আছে অথচ বিটিচি চুক্তি তেওঁলোকে পালন কৰা নাই। এয়া নিত্যান্তই দুৰ্ভাগ্যজনক। যোৱা ১৫ বছৰে আমি যি কাম কৰিলো সেইখিনিয়ে আছে, প্ৰমোদ বড়োই একো কৰিব পৰা নাই। কাম নকৰি সমালোচনা কৰি থকাই তেওঁৰ কাম, তেওঁ এটা জিৰো। আনহাতে লোকসভা নিৰ্বাচন প্ৰসংগত সাংবাদিকে সোধা এক প্ৰশ্নত্তোৰত হাগ্ৰামা মহিলাৰীয়ে কয় যে বিপিএফ দলে দৰং-ওদালগুৰী আৰু কোকৰাঝাৰ লোকসভা সমষ্টিত জয়লাভ কৰিব। কোকৰাঝাৰত বিপিএফ আৰু ইউপিপিএলৰ মাজত দুইকোণীয়া প্ৰতিদ্বন্দ্বিতা হোৱাৰ বিপৰীতে দৰং-ওদালগুৰীত বিপিএফ-কংগ্ৰেছ আৰু বিজেপিৰ মাজত তিনিকোণীয়া প্ৰতিদ্বন্দ্বিতা হ'ব। দুয়োখন আসনতে বিপিএফৰ প্ৰাৰ্থী জয়লাভ কৰিব। প্ৰমোদ বড়োৱে মিছা কথাৰে ৰাইজক আভুৱা ভাৰিছে, প্ৰতিশ্ৰুতি পালনত ব্যৰ্থ হৈছে যাৰ বাবেই বিপিএফ দল জিকিব বুলি মন্তব্য কৰিছে হাগ্ৰামা মহিলাৰীয়ে। বিপিএফ দলৰ পৰা তিনিগৰাকীকৈ প্ৰাৰ্থীয়ে দুয়োটা সমষ্টিতে অৰ্থাৎ কোকৰাঝাৰ আৰু দৰং-ওদালগুৰী লোকসভা সমষ্টিৰ পৰা প্ৰাৰ্থীত্ব বিচাৰিছে আৰু অহা মাৰ্চ মাহত বিপিএফ দলে দুয়োটা সমষ্টিৰ বাবে প্ৰাৰ্থী ঘোষণা কৰিব বুলি মন্তব্য কৰিছে হাগ্ৰামা মহিলাৰীয়ে। উল্লেখ্য যে আজিৰ কাৰ্যসূচীত বিপিএফৰ সাধাৰণ সম্পাদক মনেশ্বৰ ব্ৰহ্ম, বিটিচিৰ প্ৰাক্তন উপমুখ্য কাৰ্যবাহী খাম্পা বৰগয়াৰী, বিটিচি বিধান পৰিষদৰ বিৰোধী দলপতি দেৰহাছাৎ বসুমতাৰী আদিকে ধৰি বিপিএফৰ সৰহসংখ্যক জ্যেষ্ঠ নেতা, জিলা পৰ্যায়ৰ নেতা, শ্বহীদৰ পৰিয়ালবৰ্গ আৰু বহুসংখ্যক সাধাৰণ ৰাইজ উপস্থিত আছিল।

# মাজবাটত ৫ পেডলাৰ আটক

**ই-সংবাদ, ওদালগুৰি, ১০ ফেব্ৰুৱাৰীঃ** ওদালগুৰিত ড্ৰাগছৰ বিৰুদ্ধে চলিছে আৰক্ষীৰ ব্যাপক অভিযান। বিগত কিছুদিন ধৰি জিলাখনৰ বিভিন্ন আৰক্ষী থানাসমূহৰ অন্তৰ্গত এলেকাত আৰক্ষীয়ে ড্ৰাগছৰ বিৰুদ্ধে জোৰদাৰ অভিযান অব্যাহত ৰাখি নিষিদ্ধ ড্ৰাগছসহ পেডলাৰক গ্ৰেপ্তাৰ কৰে। সেই অনুসৰি জিলাখনৰ মাজবাট আৰক্ষীয়ে লাভ কৰিছে বৃহৎ সাফল্য। ২৪ গ্ৰাম হেৰ'ইনসহ দুজন যুৱক আটক কৰিছে আৰক্ষীয়ে। মাজবাট আৰক্ষীয়ে গোপন খবৰৰ ভিত্তিত মাজবাট আৰক্ষী থানাৰভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সঞ্জয় কুমাৰ ডুবে আৰু উপ আৰক্ষী পৰিদৰ্শক চিত্ৰনীল দাসৰ লগত যোৱা এক বৃহৎ আৰক্ষীৰ দলে মাজবাটৰ বাহিপুখুৰী চাহ বাগিচাৰ ১২ নম্বৰ লাইনৰ ওৰাং ৰূপা পথৰ কাষত অভিযান চলাই ২৩.৮ গ্ৰাম হেৰইনসহ ঢেকিয়াজুলি থানাৰ অন্তৰ্গত বাতাচীপুৰ গাওঁৰ যোগেশ্বৰ ব্ৰহ্ম(২৪) আৰু একে গাওঁৰ নৌজল বসুমতাৰী(২২) নামৰ দুজন যুৱকক আটক কৰি মাজবাট থানালৈ লৈ আনে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে বিভাগীয় কাৰ্যব্যৱস্থা গ্ৰহণ কৰিছে। মাজবাট আৰক্ষীয়ে সাংবাদিকক জানিবলৈ দিয়া অনুসৰি জব্দ কৰা হেৰ'ইনখিনিৰ আন্তৰ্জাতিক বজাৰ মুল্য ৪ লাখ ৮০ হেজাৰ টকা। একেদৰে জিলাখনৰ হৰিশিঙাতো আৰক্ষীয়ে চলাইছে ব্যাপক ড্ৰাগছ বিৰোধী অভিযান। উক্ত অভিযানত ৭.১৬০ গ্ৰাম সন্দেহযুক্ত হেৰ'ইনসহ নিজ বালিসিঠা অঞ্চলৰ পৰা তিনিজনক গ্ৰেপ্তাৰ কৰিছে। লাভ কৰা খবৰ অনুসৰি হেৰ'ইনখিনিৰ আন্তৰ্জাতিক বজাৰ মূল্য আনুমানিক ১ লাখ ৪০ হেজাৰ টকা বুলি ধাৰণা কৰা হৈছে।

শেষ পৃষ্ঠা

# জল্পনাৰ অৱসান! ভাৰতীয় দল ঘোষণা




**মুম্বাই, ১০ ফেব্ৰুৱাৰীঃ** ইংলেণ্ডৰ বিৰুদ্ধে খেলি থকা পাঁচখন মেছৰ টেষ্ট শৃংখলাৰ বাকী তিনিখন খেলটো ভাৰতীয় দলত নাথাকে দলৰ মুখ্য বেটাৰ বিৰাট কোহলী। অন্তিম তিনিখন টেষ্টৰ বাবে আজি ঘোষণা কৰা দলত তেওঁক স্থান দিয়া হোৱা নাই। ব্যক্তিগত কাৰণত প্ৰথম দুখন মেছ খেলাৰ পৰা বিৰত থকা কোহলীয়ে বাকী খেল কেইখনো নেখেলাৰ সিদ্ধান্ত লৈছে। সেয়ে তেওঁক দলত বাচনি কৰা হোৱা নাই। ইফালে ইংলেণ্ড লায়নছৰ বিৰুদ্ধে ভাৰত 'এ' দলৰহৈ তিনিখন মেছত ১৮.৭২ গড়ৰে ১১ উইকেট দখল কৰা বংগৰ পেচ বলাৰ আকাশ দ্বীপে প্ৰথম বাৰলৈ জাতীয় দললৈ আমন্ত্ৰণ লাভ কৰিছে। আঘাতৰ বাবে দ্বিতীয় টেষ্টৰ পৰা বাহিৰত থকা ৰবীন্দ্ৰ জাদেজা আৰু কে এল ৰাহুল দললৈ উভতি আহিছে। অৱশ্যে তেওঁলোক দুয়োজনে ফিটনেছ প্ৰমাণ দিব লাগিব। আনহাতে বিশাখাপত্তনম দলত থকা উত্তৰ প্ৰদেশৰ বাওঁহতীয়া স্পিনাৰ সৌৰভ কুমাৰক দলত ৰখা হোৱা নাই। দলটো হ'লঃ ৰোহিট শৰ্মা, যশপ্ৰীত বুমৰাহ, যশস্বী জয়চোৱাল, শুভমন গিল, কে এল ৰাহুল, ৰজত পাতিদাৰ, ছৰফৰাজ খান, ধ্ৰুৱ জুৰেল, শিকৰ ভাৰত, ৰবীচন্দ্ৰন অশ্বিন, ৰবীন্দ্ৰ জাদেজা, অক্ষৰ পেটেল, ৱাশ্বিংটন সুন্দৰ, কুলদীপ যাদব, মহম্মদ ছিৰাজ, মুকেশ কুমাৰ আৰু আকাশ দ্বীপ।

# মিঠুন চক্ৰৱৰ্তী অসুস্থ

**কলকাতা, ১০ ফেব্ৰুৱাৰীঃ** শনিবাৰে পুৱাই বলিউদৰ বিশিষ্ট অভিনেতা তথা বিজেপি নেতা মিঠুন চক্ৰৱৰ্তীক হাস্পতালত ভৰ্তি কৰোৱা হয়। হঠাতে অসুস্থ হৈ পৰাত চক্ৰৱৰ্তীক কলকাতাৰ হাস্পতালত ভৰ্তি কৰোৱা হয়। জানিব পৰা মতে, এখন বাংলা ছবিৰ চিত্ৰগ্ৰহণত ব্যস্ত আছিল অভিনেতাগৰাকী। ঘৰলৈ উভতি অহাৰ পাছতে অসুস্থ হৈ পৰাত কলকাতাৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। বুকুৰ বিষৰ বাবে অসুস্থ হৈ পৰা বুলি চিকিৎসকে প্ৰকাশ কৰিছে। ৭৩ বছৰীয়া অভিনেতাজনৰ পৰীক্ষা-নিৰীক্ষাৰ লগতে চিকিৎসাৰ বাবে গঠন কৰা হৈছে বিশেষজ্ঞ চিকিৎসকৰ দল। মিঠুন চক্ৰৱৰ্তীয়ে ২০২১ চনৰ ৭ মাত কলকাতাৰ ঐতিহাসিক ব্ৰিগেড পেৰেড গ্ৰাউণ্ডত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত বিজেপি দলত যোগদান কৰিছিল। চক্ৰৱৰ্তীক শেহতীয়াকৈ পদ্মভূষণ বঁটা প্ৰদানৰ ঘোষণা কৰা হৈছে।

# নৰ্থ-ইষ্ট ইউনাইটেডৰ জয়

**গুৱাহাটী, ১০ ফেব্ৰুৱাৰীঃ ইণ্ডিয়ান ছুপাৰ লীগৰ এখন মেছত আজি নৰ্থ-ইষ্ট ইউনাইটেড দলে ইষ্ট বেংগলৰ বিৰুদ্ধে ৩-২ গলৰ ব্যৱধানত জয়লাভ কৰিছে। ইয়াৰ একেৰাহে ১১ খন খেলত জয়লাভ কৰা ইষ্ট বেংগলৰ জয়ৰ ধাৰা ব্যাহত হয়। নৰ্থ-ইষ্টৰ হৈ টম জুৰিচে দুটা আৰু নেষ্টৰ আলবিয়েৰে এটা গল কৰে। ইষ্ট বেংগলৰ হৈ স্ক'ৰ কৰে নন্দকুমাৰ আৰু ফেলিছিও ব্ৰাউন ফেৰৰ্ছে।**

# সুমিত নাগাল ফাইনেলত

**চেন্নাই, ১০ ফেব্ৰুৱাৰীঃ চেন্নাই অপেন এ টি পি চেলেঞ্জাৰ্ছ ২০২৪ ৰ ফাইনেলত প্ৰৱেশ কৰিছে ভাৰতৰ শীৰ্ষ টেনিছ তাৰকা সুমিত নাগাল। আজি অনুষ্ঠিত প্ৰথমখন ছেমিফাইনেলত তেওঁ চেক গণৰাজ্যৰ ডালিবৰ চৰচিনাক ৬-৩, ৬-৪ ছেটত পৰাস্ত কৰে। ফাইনেলত নাগালে ইটালীৰ লুকা নাৰদিৰ বিৰুদ্ধে খেলিব। নাৰদিয়ে আনখন ছেমিত টাইৱানৰ চুন চিন চেঙক ৬-৪, ৪-৬ আৰু ৭-৬ ছেটত পৰাজিত কৰে।**

# ৰঞ্জিত বিহাৰৰ বিৰুদ্ধে সন্তোষজনক স্থিতিত অসম

**গুৱাহাটী, ১০ ফেব্ৰুৱাৰীঃ** বিহাৰৰ বিৰুদ্ধে ৰঞ্জি এলিট গ্ৰুপ 'বি'ৰ খেলত অসমে এক সন্তোষজনক স্থিতি লাভ কৰিছে। ইয়াৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হোৱা খেলখনৰ আজি দ্বিতীয় দিনা অসমৰ প্ৰথম ইনিংছৰ ৪০৫ ৰানৰ উত্তৰত ৪৬ অভাৰত পাঁচ উইকেট হেৰুৱাই ১৩৪ সংগ্ৰহ কৰি বিপদত পৰিছে বিহাৰে। মাত্ৰ ১৬ ৰানত তিনিটা উইকেট দখল কৰি বিহাৰৰ ইনিংছত ত্ৰাসৰ সৃষ্টি কৰে মোখতাৰ হুছেইনে। তেওঁৰ লগতে ৰঞ্জিত মালি আৰু মৃণ্ময় দত্তই এটাকৈ উইকেট লাভ কৰে। বিহাৰৰ হৈ বিপিন সৌৰভে ৩৯ ৰান কৰে। দিনান্তত পৰমজিৎ সিঙে ২৬ আৰু বীৰ প্ৰতাপ সিঙে ১১ ৰান কৰি ক্ৰিজত আছে। ইয়াৰ পূৰ্বে প্ৰথম দিনৰ পাঁচ উইকেটত ২৩৫ ৰানৰ পৰা খেলিবলৈ আৰম্ভ কৰি অসমে ১২১.৪ অভাৰত ৪০৫ কৰি ইনিংছ সামৰে। কালিৰ অপৰাজিত বেটাৰ অভিষেক ঠাকুৰীয়ে শতক অৰ্জন কৰে। তেওঁৰ বেটৰ পৰা আহে ১১৫ ৰান। চাহিল জৈনে ৩১ ৰান কৰে। শেষৰফালে মৃণ্ময় দত্তই ৭২ আৰু ৰিংকু সিঙে ২৯ ৰানৰ বৰঙণি যোগায়। দুয়ো অন্তিম উইকেটত ৯৩ ৰান যোগদি অসমৰ স্থিতি মজবুত কৰি তোলে। হাতত পাঁচটা উইকেট থকা অৱস্থাত আলহী দল বিহাৰ মেছৰ প্ৰথম ইনিংছত এতিয়াও ২৭১ ৰানত পিছপৰি আছে।

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান